**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ হৃদয় বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰৰ অত্যাধুনিক এম আৰ আই সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে। ৩০ কোটি টকা ব্যয়সাপেক্ষে অত্যাধুনিক এম আৰ আই যন্ত্ৰটো স্থাপন কৰা হৈছে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে এতিয়াৰেপৰা এম আৰ আই যন্ত্ৰটো যথেষ্ট উন্নত মানৰ। এতিয়াৰেপৰা নিউৰ'ল'জিকেল এম আৰ আই যথেষ্ট সুক্ষ্মভাৱে কৰিব পৰা যাব। হৃদয় বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰটোৱে উত্তৰ-পূবৰ ৰোগীসকলক যথেষ্ট উন্নত মানৰ চিকিৎসা সেৱা প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৫ চনৰ আৰম্ভণিতে জি এম চি এইচৰ মাতৃ আৰু শিশু হাস্পতালখনো উদ্বোধন কৰাৰ পৰিকল্পনা কৰা হৈছে। আনহাতে, প্ৰাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য দ্ৰুতগতিৰে আগবাঢ়িছে বুলিও ডঃ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে ২০২৫ বৰ্ষৰ প্ৰথম ভাগতে প্ৰাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয়ৰ সেৱা আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে। এই চিকিৎসা মহাবিদ্যালয়খনৰ সেৱা আৰম্ভ হ'লে ৰোগীসকলে পূৰ্বৰ তুলনাত অধিক সা-সুবিধা লাভ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হ'ব। আজি বিয়লি পানাজী শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। এইবাৰ অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিকুল থ্ৰি ছেভেনণ্টি, টুৱেল্‌ভ ফেইল আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ প্ৰতিদিনৰ অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন পিছদিনা পুৱা ৯বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

বীৰ ৰাঘৰ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলাৰ কাকজানত দুদিনীয়া কাৰ্যসূচীৰে ৰাঘৰ মৰাণ দিৱস উদযাপন কৰা হৈছে। দ্বিতীয় দিনৰ কাৰ্যসূচী উপলক্ষে আজি পুৱাৰেপৰা অঞ্চলটোত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ লগতে চুবুৰীয়া জিলা আৰু প্ৰতিবেশী ৰাজ্য অৰুণাচল প্ৰদেশৰ পৰা মৰাণ জনগোষ্ঠীৰ লোকসকল আহি অঞ্চলটোত উপস্থিত হৈছে। ৰজা বদৌচা সমন্বয় ক্ষেত্ৰত মৰাণ জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি-ঐতিহ্য আদি প্ৰতিফলিত কৰাকৈ আটকধুনীয়াকৈ সজাই ৰখা হৈছে। আজি পুৱা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাই বাৰেৰহণীয়া শোভাযাত্ৰা উদ্বোধন কৰিব। ইয়াৰ পাছতে লোক সংস্কৃতিৰ প্ৰদৰ্শনী উদ্বোধন কৰিব ডঃ পৱিত্ৰ কুমাৰ পেগুৱে। আজি দ্বিতীয় মুকলি সভাত অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বৰাই সভাপতিত্ব কৰিব। বিয়লি অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০

চৰাইদেউ মৈদামথলীত কালিৰেপৰা বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ আৰম্ভ হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত অনুষ্ঠিত মূল অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০

তিনিচুকীয়া অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু বৰদলৈ নগৰ উন্নয়ন মহিলা সমিতিৰ উদ্যোগত জিলাখনৰ বৰদলৈ নগৰত যোৱা ১১ নৱেম্বৰৰপৰা অনুষ্ঠিত দুৰ্যোগ প্ৰশমনৰ প্ৰশিক্ষণ শিবিৰৰ কালি সামৰণি পৰে। এই শিবিৰত অগ্নি নিৰ্বাপনকে ধৰি বিভিন্ন দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, প্ৰশিক্ষক মানৱজ্যোতি পাংগিং আৰু অগ্নি নিৰ্বাপক বাহিনীৰ শীৰ্ষ বিষয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

০০০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি ছেমি ফাইনেলত জাপানক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ হৈ নৱনীত কৌৰে খেলখনৰ ৪৮ মিনিটত পেণাল্টি শ্বটেৰে গল কৰে। লালাৰেমছিয়ামীয়ে ৫৬ মিনিটত দ্বিতীয়টো গ'ল দিয়ে।

ইপিনে চীনে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত মালয়েছিয়াক ৩-১ গ'লত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰতিযোগিতাত ভাৰত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই।

০০০০০

**সমাপ্ত**